# 2015

# ASSAMESE

## ( Major )

Paper : 3.1

**( Asamiya Bhasha )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) দ্ৰাবিড় ভাষা-পৰিয়ালৰ এটা ভাষাৰ নাম উল্লেখ কৰা।

(খ) ভাৰতবৰ্ষত কোনটো ভাষাগোষ্ঠীৰ ভাষা সৰ্বাধিক প্ৰচলিত?

(গ) ইন্দো-ইউৰোপীয় ভাষাসমূহৰ ভিতৰত কোনটো শাখাৰ ভাষাত সৰ্বপ্ৰাচীন সাহিত্যিক নিদৰ্শন পোৱা যায়?

(ঘ) মধ্য-ভাৰতীয় আৰ্য ভাষাক চমুকৈ কি নামেৰে জনা যায়?

(ঙ) অপভ্ৰংশ ভাষাৰ স্তৰ কেইটা?

(চ) অসমীয়া ভাষা কোনটো ভাষাগোষ্ঠীৰ ভিতৰুৱা ?

(ছ) উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত অষ্ট্ৰিক ভাষাগোষ্ঠীৰ এটা ভাষাৰ নাম লিখা।

(জ) নাগালেণ্ডৰ সংযোগী ভাষাটোৰ নাম কি ?

(ঝ) নামনি অসমৰ উপভাষাক প্ৰধান কেইটা ভাগত ভগোৱা হয় ?

(ঞ) অসমীয়া ভাষাত ব্যৱহৃত যি কোনো এটা অৰ্ধতৎসম শব্দ লিখা।

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) কোনে, কোনটো ভাষা-পৰিয়ালক কেন্টুম আৰু সতম বুলি দুটা ভাগত ভগাইছিল ?

(খ) ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশৰ সুস্পষ্ট স্তৰ কেইটা আৰু কি কি ?

(গ) সাদানী অসমৰ কোন জনগোষ্ঠীৰ ভাষা ? এই ভাষাৰ যি কোনো এটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) গোৱালপৰীয়া উপভাষাৰ যি কোনো দুটা ৰূপতাত্ত্বিক বৈশিষ্ট্য লিখা।

(ঙ) অসমৰ কোন অঞ্চলৰ উপভাষাক মধ্য অসমৰ উপভাষা বোলা হয় ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ইন্দো-ইউৰোপীয় ভাষা-পৰিয়ালৰ কেইটামান ধ্বনিগত বৈশিষ্ট্য উল্লেখ কৰা।

(খ) পালি ভাষাত সংস্কৃতৰ ঋ-ধ্বনিৰ কেনে পৰিৱৰ্তন ঘটিছে, উদাহৰণসহ লিখা।

(গ) আদৰ্শ প্ৰাকৃত বুলিলে কোনটো প্ৰাকৃতক বুজা যায়? এইবিধ প্ৰাকৃতৰ চমু পৰিচয় দিয়া।

(ঘ) অসমত প্ৰচলিত যি কোনো এটা নৃগোষ্ঠীয় উপভাষাৰ বিষয়ে চমুকৈ লিখা।

(ঙ) কামৰূপী উপভাষাৰ অন্তৰ্গত স্থানীয় উপভাষা এটাৰ বিষয়ে লিখা।

(চ) অসমীয়া ভাষাৰ আৰ্যভিন্ন শব্দ সম্পৰ্কে এটি টোকা যুগুত কৰা।

৪। (ক) ইন্দো-ইউৰোপীয় ভাষা-পৰিয়ালৰ অন্তৰ্গত শাখাসমূহৰ বিষয়ে আলোচনা কৰা। ১০

*অথবা*

(খ) ইন্দো-ইউৰোপীয় ভাষাগোষ্ঠীৰ আদিম বাসস্থান ক'ত আছিল? এই সন্দৰ্ভত বিভিন্ন পণ্ডিতৰ মতামত দাঙি ধৰি তোমাৰ নিজৰ ব্যাখ্যা আগবঢ়োৱা। ১০

৫। (ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সময়সীমা কিমান? এই স্তৰৰ ভাষাগত বৈশিষ্ট্য বিশ্লেষণ কৰা। ১০

অথবা

(খ) মাগধী প্ৰাকৃতৰ লগত অসমীয়া ভাষাৰ কেনেধৰণৰ সম্পৰ্ক ৰক্ষিত হৈ আছে, বুজাই লিখা। ১০

৬। (ক) অসমীয়া ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰা। ১০

অথবা

(খ) অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বত তিব্বত-বৰ্মী ভাষাৰ কেনেধৰণৰ প্ৰভাৱ পৰিছে, ফঁহিয়াই লিখা। ১০

৭। (ক) মান্য অসমীয়াৰ সৈতে মধ্য অসমৰ উপভাষাৰ পাৰ্থক্য নিৰূপণ কৰা। ১০

অথবা

(খ) অসমীয়া ভাষাৰ শব্দসম্ভাৰ সম্পৰ্কে আলোচনা কৰা। ১০

★★★